# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 15-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

- - - - - - - - - - - - - -

পহিলা মাঘ উপলক্ষে আজি পুৱাৰে পৰা ৰাজ্যৰ বিভিন্ন মঠ-মন্দিৰ, নামঘৰ আৰু অন্য ধৰ্মীয় উপাসনাস্থলীসমূহত অগণন লোকৰ সমাগম হয়। ৰাজ্যৰ বিভিন্ন ঠাইৰ সত্ৰ-নামঘৰসমূহত আজি জনসাধাৰণে শৰাই আগবঢ়াই পূজা-অৰ্চনা কৰাৰ লগতে ঠায়ে ঠায়ে পৰম্পৰাগত উৎসাহ-উদ্দীপনাৰে মাঘ বিহুৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়।

**বৰপেটা** জিলাত সত্ৰকেন্দ্ৰিক পৰম্পৰাৰে আজিহে মাঘ বিহুৰ  মেজি জ্বলোৱা হয়। নিয়ম অনুসৰি বৰপেটা সত্ৰৰ টুপৰ চোতালত ভকতসকলে সজা মেজিত অগ্নিসংযোগ কৰাৰ পাছত সত্ৰৰ বাহিৰৰ স্থানসমূহত সজা মেজিসমূহ জ্বলোৱা হয়।

হিন্দু-মুছলমান আৰু বৌদ্ধ ধৰ্মৰ ত্ৰিবেণীসংগম ৰূপে খ্যাত কামৰূপ জিলাৰ তীৰ্থনগৰী **হাজোত** আজি পহিলা মাঘ উপলক্ষে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হয়। হাজো আঞ্চলিক ছাত্ৰ সন্থাৰ নেতৃত্বত প্ৰতিবছৰৰ দৰে এইবাৰো পহিলা মাঘত মণিকূট উৎসৱ অনুষ্ঠিত কৰা হয়। জাতি-ধৰ্ম নিৰ্বিশেষে বহুসংখ্যক লোকে পোৱামক্কা দৰগাহ শ্বৰীফৰ পৰা হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰলৈ উলিওৱা সমন্বয় শোভাযাত্ৰাত অংশগ্ৰহণ কৰে। এই উৎসৱত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় নেতৃত্বৰ লগতে বহুকেইগৰাকী শিল্পীয়ে অংশগ্ৰহণ কৰে।

মাঘ বিহুৰ সৈতে সংগতি ৰাখি **বাক্সা** জিলাৰ কাৰহানাৰ শ্ৰীশ্ৰীকৃষ্ণ সত্ৰত কালিৰে পৰা চাৰিদিনীয়াকৈ মাঘ সভা মহোৎসৱ অনুষ্ঠিত হৈছে। এই উপলক্ষে আজি ভাগৱত ভ্ৰমণ, আৰজ বন্দনা নাম-প্ৰসংগ কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

একেদৰে গুৱাহাটী মহানগৰীৰ ধৰ্মীয় স্থানসমূহতো অগণন লোকে ভিৰ কৰা পৰিলক্ষিত হয়। কামাখ্যা মন্দিৰ, বশিষ্ঠ মন্দিৰ, দৌলগোবিন্দ মন্দিৰ, উমানন্দ, শুক্ৰেশ্বৰ দেৱালয়কে ধৰি ধৰ্মীয় স্থানসমূহত আজি পুৱাৰে পৰা বহুলোকৰ সমাগম ঘটে।

ooooo

ৰাজ্যৰ বড়ো জনগোষ্ঠী বসতিপ্ৰধান অঞ্চলসমূহত আজিৰে পৰা বাথৌ পূজা পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা হৈছে। বাক্সা জিলাৰ বিভিন্ন স্থানত অৱস্থিত বাথৌ মন্দিৰসমূহত বাথৌ উৎসৱ আয়োজন কৰা পৰিলক্ষিত হৈছে। মাঘ বিহুৰ সময়তে বড়ো আৰু অন্য কছাৰী জনগোষ্ঠীৰ লোকসকলে দুইৰ পৰা তিনিদিনীয়াকৈ এই উৎসৱৰ আয়োজন কৰে। কছাৰী সকলৰ লোক দেৱতা বাথৌৰ হিন্দু ধৰ্মৰ দেৱতা শিৱৰ সৈতে সাদৃশ্য আছে। বড়ো-কছাৰীসকলে বিশ্বাস কৰে যে বাথৌ তেওঁলোকৰ পিতৃ দেৱতা। এই উৎসৱৰ দিনটোত সিজু আৰু তুলসী গছৰ দুটা ডাল একেলগ কৰি বাথৌ বেদীত শান্তি পানী ছটিওৱা হয়। বেদীত এটা ঘূৰণীয়া শিল আৰু কুকুৰা কণীৰে বাথৌ দেৱতাক পূজা কৰা হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰই প্ৰতিদিনে পুৱা ৭ বাজি ৫৫ মিনিট আৰু সন্ধিয়া ৬ বজাত প্ৰচাৰ কৰি অহা বাতৰিত **উজনিৰ বাতৰি** বুলি নামকৰণ কৰাৰ বাবে কিছুসংখ্যক শ্ৰোতাই আপত্তি দৰ্শোৱা বাতৰি বিভাগৰ দৃষ্টিগোচৰ হৈছে। এই ক্ষেত্ৰত বাতৰি বিভাগে স্পষ্ট কৰিব বিচাৰে যে, ৰাজ্যখনক উজনি আৰু নামনি নামেৰে বিভাজন কৰাৰ কোনো উদ্দেশ্য বাতৰি বিভাগৰ নাই। আকাশবাণীৰ সঞ্চালকালয়ৰ নিৰ্দেশমৰ্মে পূৰ্বে আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ পৰা প্ৰচাৰিত বাতৰি বুলেটিন বৰ্তমান গুৱাহাটী কেন্দ্ৰৰ পৰা প্ৰচাৰ কৰা হৈছে। সেয়েহে এই বাতৰিক **উজনিৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছিল। তৎসত্তেও শ্ৰোতাসকলৰ অনুভূতিৰ প্ৰতি শ্ৰদ্ধা জনাই আজিৰে পৰা এই দুয়োখন বাতৰি বুলেটিনক **উজনি অসমৰ বাতৰি**ৰূপে নামকৰণ কৰা হৈছে। এই বাতৰি বুলেটিনকো অসমৰ সকলো শ্ৰোতাই আদৰি ল'ব বুলি আশা কৰা হৈছে।

০০০০০

মানস ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰীত মানাহ মহোৎসৱৰ প্ৰস্তুতি চলি আছে। ২৫ জানুৱাৰীৰ পৰা ছদিনীয়া কাৰ্যসূচীৰে উদযাপন কৰিবলগীয়া এই মহোৎসৱৰ লাইখুঁটা আজি স্থাপন কৰা হয়। লাইখুঁটা স্থাপন অনুষ্ঠানত উদযাপন সমিতিৰ সভাপতি তথা আদিবাসী কল্যাণ আৰু উন্নয়ন পৰিষদৰ উপাধ্যক্ষ সুভাষ তিৰ্কিৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে। মহোৎসৱৰ সময়ছোৱাত মানস ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰকৃতিৰ সমাহাৰ, থলুৱা খাদ্য, পৰম্পৰাগত নৃত্য-গীত, আলোচনাচক্ৰ, বাণিজ্য মেলা আৰু বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হ'ব বুলি উদ্যোক্ত সমিতিয়ে জানিবলৈ দিছে।

০০০০০

ডিমা হাছাও জিলাৰ মাইবঙৰ খাচমাইপুৰত আজি ডিমাছা ঐতিহ্য সংগ্ৰহালয় আৰু ডিশ্ৰু গৱেষণা কেন্দ্ৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। উদ্বোধনী কাৰ্যসূচীত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দেৱলাল গাৰ্লোচা উপস্থিত থাকে। কছাৰীসকলৰ ঐতিহ্যমণ্ডিত ৰাজধানী মাইবঙত থকা স্থাপত্য আৰু ভাস্কৰ্যসমূহৰ বিষয়ে গৱেষণাৰ প্ৰয়োজন আছে বুলি উল্লেখ কৰি শ্ৰীগাৰ্লোছাই কয় যে এই সংগ্ৰহালয় আৰু গৱেষণা কেন্দ্ৰৰ জৰিয়তে ডিমাছা সংস্কৃতি আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰচাৰত গুৰুত্ব দিয়া হ'ব। উদ্বোধনী অনুষ্ঠানত উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদৰ অন্যান্য সদস্যসকলো উপস্থিত থাকে।

০০০০০

গুৱাহাটী মহানগৰীৰ ৯ খন আৰক্ষী থানাত নতুন ভাৰপ্ৰাপ্ত বিষয়াক নিযুক্তি দিয়া হৈছে। পৰিদৰ্শক পৰ্যায়ৰ এই আৰক্ষী বিষয়াসকলক তৎকালেই কৰ্তব্যত যোগদান কৰিবলৈ মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ে নিৰ্দেশনা জাৰি কৰিছে। ভাস্কৰ মল্ল পাটোৱাৰীক দিছপুৰ আৰক্ষী থানাৰ, কপিল পাঠকক বশিষ্ঠ আৰক্ষী থানাৰ, শংকৰজ্যোতি নাথক পানবজাৰ আৰক্ষী থানাৰ, কুলেশজ্যোতি ভূঞাক পল্টনবজাৰ আৰক্ষী থানাৰ আৰু শ্ৰীমতী জুনামণি কলিতাক চানমাৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰূপে নিযুক্তি দিয়া হৈছে বুলি আমাৰ গুৱাহাটীৰ সংবাদদাতাই জনাইছে।

০০০০০

সমাপ্ত